সম্প্ৰসাৰণ বুলেটিন - ৩/২০১২/৫০০

# কৃষকৰ বাবে উপলব্ধ কৃষি আঁচনিসমূহ



শ্ৰী চন্দন কুমাৰ ডেকা
শ্ৰী উৎপল কুমাৰ ডেকা
ডঃ মৃণাল শইকীয়া

কৃষি বিজ্ঞান কেন্দ্ৰ
অসম কৃষি বিশ্ববিদ্যালয়
চিলঙনী, নগাঁও, অসম

আধুনিক কৃষি পদ্ধতিত যথেষ্ট অৰ্থৰ প্ৰয়োজন। অধিক উৎপাদনৰ বাবে চৰকাৰে প্ৰদান কৰা বিভিন্ন আঁচনিৰ সহায় লৈ কৃষক সকলে উৎপাদন বৃদ্ধিৰ লগতে সমগ্ৰ কৃষি পক্ৰিয়াতো লাভজনক কৰিব পাৰে। উন্নত বীজ, জলসিঞ্চন, কৃষি যান্ত্ৰিকীকৰণ, খেতি চপোৱাৰ পাছত বিভিন্ন কাৰ্য্যৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন। কৃষিত এই কাৰ্য্যসমূহ সম্পাদনৰ বাবে বিভিন্ন আঁচনিৰ সুবিধা ল'বলৈ এই পুস্তিকা খন প্ৰস্তুত কৰা হৈছে।

১। **কিষাণ ক্ৰেডিট কাৰ্ড ঃ (K.C.C.)**

কিষাণ ক্ৰেডিট কাৰ্ড ভাৰত চৰকাৰৰ এখন আঁচনি। এই আঁচনিৰ উদ্দেশ্য হৈছে খেতিয়ক সকলক বিভিন্ন খেতিৰ কাৰণে ঋণ দানৰ ব্যৱস্থা কৰা। খেতিয়ক সকলে কৃষি বিভাগৰ জৰিয়তে বা পোনপটীয়াভাৱে ৰাষ্ট্ৰীয়কৃত বেঙ্ক, গ্ৰামীণ বেঙ্কত নিজৰ প্ৰয়োজন অনুসৰি কৃষি ঋণৰ কাৰণে আবেদন কৰিব পাৰে। ইয়াত উল্লেখ কৰা প্ৰয়োজন যে কিষাণ ক্ৰেডিট কাৰ্ডৰ ক্ষেত্ৰত বেঙ্কৰ নিৰ্দিষ্ট সেৱা আগবঢ়োৱা অঞ্চলৰ কোনো কথা নাই। যি কোনো বেঙ্কে যি কোনো এলেকাত ঋণ প্ৰদান কৰিব পাৰে। ইয়াৰ বাহিৰেও প্ৰথম ফচলৰ ঋণৰ টকা আদায় নিদিয়াকৈ এজন কৃষকে ২য় ফচলৰ কাৰণে ঋণৰ আবেদন কৰিব পাৰে। কিন্তু ৩য় ফচলৰ ঋণ পাবলৈ হ'লে প্ৰথম ফচলৰ ঋণৰ সম্পূৰ্ণ টকা সুদ সহ আদায় দিব লাগিব। ৫০,০০০/- (পঞ্চাশ হাজাৰ) টকালৈকে ঋণৰ কাৰণে কোনো ধৰণৰ চিকিউৰিটি প্ৰয়োজন নাই বা কোনো জামিনদাৰৰ আৱশ্যকতা নাই আৰু কোনো মাৰ্জিন মানিৰ প্ৰয়োজন নাই। উল্লেখনীয় যে কিষাণ ক্ৰেডিট কাৰ্ড লোৱা কৃষক গৰাকীয়ে ঋণ গ্ৰহণ কৰা প্ৰতিটো খেতিৰ বিপৰীতে শস্যবীমা কৰাটো বাধ্যতামূলক যাৰ কাৰণে বেঙ্কে সামান্যতম প্ৰিমিয়াম লয়। ইয়াৰ বাহিৰেও কিষাণ ক্ৰেডিট কাৰ্ডৰ হিতাধীকাৰী জনৰ জীৱন বীমা কৰাৰো ব্যৱস্থা আছে আৰু সামান্য প্ৰিমিয়ামৰ বিপৰীতে ৫০,০০০/- টকালৈকে শস্য ঋণ গ্ৰহণকৰাৰ সময়ত বীমা কৰাৰ সুবিধা লব পাৰে। ঋণ গ্ৰহণকাৰীজনৰ আকস্মিক বিয়োগ হ'লে বা দুৰ্ঘটনাজনিত কাৰণত শাৰিৰীক অক্ষমতাৰ চিকাৰ হয় তেনেহ'লে বীমা কোম্পানীয়ে এই খেতিয়ক জনক বীমা আদায় দিয়াৰ ব্যৱস্থা আছে।

২। **মিচন ডাবল ক্ৰপিং ঃ**

একেডৰা মাটিতে বছৰি দুটা বা তাতোধিক খেতি কৰিবলৈ অসম চৰকাৰে এই আঁচনি প্ৰস্তুত কৰিছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ ২৬খন জিলালৈ সৰিয়হ, আলু, মটৰমাহ, বৰোধান, বিলাহী, বেঙেনা আৰু ধনীয়াৰ উন্নত বীজ বিতৰণ কৰা হৈছে। চলিত বছৰত উদ্যোগীক কৃষকে ৰবিশস্যৰ বতৰত নিজৰ পথাৰডৰা শস্যৰে পৰিপূৰ্ণ কৰিব পাৰিছে।

৩। **ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান – ধান ঃ (NFSM - RICE)**

ভাৰত চৰকাৰে নতুনকৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযানৰ অন্তৰ্গত তিনিবিধ শস্যৰ উৎপাদন আৰু উৎপাদিকা শক্তি বৃদ্ধি কৰিবলৈ একাদশ পৰিকল্পনা ২০০৭-০৮ৰ পৰা ২০১১-১২ চনলৈ এক অভিলাষি অভিযান লৈছে। শস্য কেইবিধ হৈছে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান ধান, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান – ঘেহুঁ আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান – মাহ জাতীয় শস্য। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান – ধানৰ অধীনত নগাঁও জিলাকে ধৰি অসমৰ ১৩ খন জিলাত এই অভিযান বৰ্তমান বছৰত ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ মুখ্য উদ্দেশ্য হৈছে –

- ক্ষেত্ৰ সম্প্ৰসাৰণ আৰু ধাৰণশীল উৎপাদিকা শক্তি বৃদ্ধিৰ জৰিয়তে জিলাখনত ধানৰ উৎপাদন বঢ়োৱা। পাম পৰ্য্যায়ত মাটিৰ উৰ্বৰতা আৰু উৎপাদিকা শক্তি বাহাল ৰখা। নিয়োগৰ সুবিধা সৃষ্টি কৰা।
- পামৰ আয় ধাৰণশীল কৰি কৃষকৰ মনত আস্থা জন্মোৱা।
- এই আঁচনি ৰূপায়ণৰ বাবে নগাঁও জিলা উপায়ুক্তৰ পৌৰহিত্যত জিলা খাদ্য সুৰক্ষা কাৰ্য্যকৰী কমিটি এখন গঠন কৰা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে পঞ্চায়তৰ নৱ-নিৰ্বাচিত কৰ্মী সকলৰ মুখ্য ভূমিকা থাকিব। হিতাধীকাৰী নিৰ্বাচন কৰা আৰু অগ্ৰাধিকাৰ দিবলগীয়া অঞ্চল সমূহৰ চিনাক্তকৰণৰ উপৰিও গোটেই আঁচনিখনৰ বিভিন্ন বিষয়ত পঞ্চায়ত কৰ্মীসকলৰ সক্ৰিয় ভূমিকা থাকিব।
- বৰ্তমান বছৰত আহুৰ বতৰত এই আঁচনিৰ অধীনত ০.৪ হেক্টৰকৈ মুঠ ১২৮ টা উন্নত কৃষি পদ্ধতিৰ প্ৰদৰ্শনমূলক খেতি আৰু ০.৪ হেক্টৰকৈ মুঠ ৩৭ টা 'শ্ৰী পদ্ধতিৰ' (System of Rice Intensification) প্ৰদৰ্শনমূলক ধান খেতি কৰি কৃষকৰ পৰা সহাৰি লাভ কৰা দেখা গৈছে। ইয়াৰ উপৰিও ধান খেতিত সু-সংহত কৃষি পদ্ধতিৰ বাবে ১৫টা কৃষক ক্ষেত্ৰ বিদ্যালয় (Farmer's Field School) এই আঁচনিৰ দ্বাৰা জিলাখনত পৰিচালনা কৰি থকা হৈছে।

৪। **ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ঃ (RKVY)**

ক) **আধাৰ বীজ উৎপাদন আঁচনি ঃ (Foundation Seed Production Programme)**

এই আঁচনিৰ অধীনত কৃষি বিভাগৰ ক্ষেত্ৰ অনুসন্ধান কেন্দ্ৰ (FTS) ও বীজ

পামত (দাৰিগজি, কলিয়াবৰ) বিভিন্ন জাতৰ আধাৰ বীজ প্ৰস্তুত কৰি কৃষকক যোগান ধৰাৰ ব্যৱস্থা আছে।

খ) **প্ৰযুক্তি প্ৰদৰ্শন আঁচনি : (Technology Demonstration Programme)**

এই আঁচনিৰ অধীনত নিৰ্বাচিত কৃষকক ০.৪ হেক্টৰ (তিনি বিঘা) কৃষি ভূমিৰ প্ৰদৰ্শন মূলক খেতিৰ বাবে ইতিমধ্যে বীজ, ৰাসায়নিক সাৰ, জৈৱিক সাৰ, ঔষধ যোগান ধৰা হৈছে।

গ) **প্ৰমাণিক বীজ বিতৰণ আঁচনি : (Certified Seed Distribution Programme)**

এই আঁচনিৰ অধীনত বীজ গাঁৱত উৎপাদিত ধান ক্ৰয় কৰি বিভাগে নিৰ্বাচিত কৃষকক ইতিমধ্যে বিতৰণৰ ব্যৱস্থা কৰিছে।

ঘ) **প্ৰশিক্ষণ ও এক্সপ'জাৰ ভিজিত : (Training & Exposure Visit)**

এই আঁচনিৰ অধীনত প্ৰশিক্ষণ আৰু এক্সপ'জাৰ ভিজিতৰ ব্যৱস্থা লোৱা হৈছে।

ঙ) **কৃষি যান্ত্ৰিকীকৰণৰ ব্যৱস্থা :**

এই আঁচনিৰ অধীনত কৃষি যান্ত্ৰিকীকৰণৰ বাবে নিৰ্বাচিত কৃষক গোটক শতকৰা ৫০ শতাংশ ৰেহাই মূল্যত পাৱাৰ টিলাৰ আৰু অ-গভীৰ নলী-নাদ বিতৰণৰ ব্যৱস্থা আছে। ইয়াৰ উপৰিও অন্যান্য সঁজুলি ৫০ শতাংশ ৰেহাই মূল্যত কৃষকৰ মাজত বিতৰণৰ ব্যৱস্থা আছে। এই সংক্ৰান্তত কাৰ্যবাহী অভিযন্তা (কৃষি), শেনচোৱা, নগাঁৱৰ লগত যোগাযোগ কৰক।

চ) **শস্যৰ পুষ্টিসাধন আৰু মাটি স্বাস্থ্য ব্যৱস্থাপনা : (Plant Nutrition & Soil Heal Management)**

এই আঁচনিৰ অধীনৰ ৭৫ শতাংশ ভাগ ৰেহাই মূল্যত কেঁচু সাৰ উৎপাদনৰ গোট নিৰ্মাণৰ ব্যৱস্থা আছে।

৫। **বীজ গাঁও আঁচনি : (Seed Village)**

বৰ্তমান উন্নত জাতৰ উন্নত মানদণ্ডৰ বীজৰ অভাৱৰ পৰিপ্ৰেক্ষিতত কৃষকৰ আৱশ্যকীয় উন্নত বীজ সহজলভ্য কৰিবৰ বাবে বছৰত জিলাখনত মুঠ ২৪৩ খন গাঁও সামৰি শালিধানৰ প্ৰমাণিত বীজ স্থানীয়ভাৱে উৎপাদনৰ ব্যৱস্থা কৰা হৈছে আৰু ১২১৫০ জন কৃষকৰ মাজত স্বৰ্ণ মজুৰী, ৰঞ্জিত ধানৰ আৱশ্যকীয় বীজ শতকৰা ৫০ ভাগ ৰেহাই মূল্যত যোগান ধৰা হৈছে। এই আঁচনিৰ অধীনত পৰ্য্যায়ক্ৰমে জিলাখনত মাটিমাহ আৰু সৰিয়হৰ উন্নত মানৰ বীজ উৎপাদনৰো ব্যৱস্থা কৰা হ'ব।

৬। **প্ৰযুক্তি মিছন আঁচনি ঃ (Technology Mission)**

**ক)** **কৃষি ভূমি সম্প্ৰসাৰন ঃ** এই আঁচনিৰ অধীনত বিভিন্ন উদ্যান শস্যৰ কৃষি ভূমি সম্প্ৰসাৰনৰ বাবে গুৰুত্ব আৰোপ কৰা হৈছে। নগাঁও জিলাত বিশেষকৈ কল, নেমুটেঙা, আলু খেতিৰ কাৰণে কৃষি ভূমি সম্প্ৰসাৰনৰ বাবে হেক্টৰে প্ৰতি ক্ৰমে ১৫,০০০/-, ২২,৫০০/- আৰু ১৩,০০০/- টকাৰ ৰাজসাহাৰ্য্য হিচাবে অনুদান দিয়াৰ ব্যৱস্থা আছে।

**কেঁচু সাৰৰ গোট স্থাপন ঃ**

মাটিৰ গুণাগুন আৰু উৎপাদনশীলতা বৃদ্ধি তথা নিবনুৱা সকলক ব্যৱসায়িক ভিত্তিত জৈৱিক সাৰ উৎপাদন কৰি আত্মনিৰ্ভৰশীল হোৱাৰ উদ্দেশ্য আগত ৰাখি কেঁচু সাৰ উৎপাদনৰ গোট স্থাপনৰ বাবে খৰচৰ এটা অংশ আৰ্থিক সাহাৰ্য্য (সৰ্বোচ্চ ৩০,০০০/- টকা প্ৰতি গোটক) প্ৰদানৰ ব্যৱস্থা আছে।

**কৃষি সঁজুলি ঃ**

কৃষি যান্ত্ৰিকীকৰণ আৰু জলসিঞ্চনৰ সুবিধাৰ বাবে ৪৫,০০০/- হাজাৰ টকাৰ ৰেহাই অনুদানত পাৱাৰটিলাৰ, ৯,০০০/- টকাৰ ৰেহাই অনুদানত পাৱাৰ পাম্প প্ৰদান আৰু ১২,৫০০/- টকাৰ ৰেহাই অনুদানত অ-গভীৰ নলী-নাদ স্থাপনৰ ব্যৱস্থা এই শিতানত ধাৰ্য্য কৰা হৈছে।

**সমূহীয়া পুখুৰী স্থাপন ঃ**

উদ্যান শস্যৰ খেতিত জলসিঞ্চনৰ সুবিধাৰ বাবে ঠাই বিশেষে সমূহীয়া পুখুৰী স্থাপনৰ বাবে আৰ্থিক সাহাৰ্য্য আগবঢ়োৱাৰ ব্যৱস্থা আছে। এই শিতানত সমূহীয়াভাৱে খন্দা এনে পুখুৰীৰ বাবে ১,০০,০০০/- টকা পৰ্য্যন্ত ৰাজসাহাৰ্য্য পোৱাৰ ব্যৱস্থা আছে।

**কৃষক প্ৰশিক্ষণ ঃ**

বিভিন্ন উদ্যান শস্যৰ উৎপাদনৰ কাৰিকৰী কৌশল তথা প্ৰযুক্তি সমূহ কৃষক সকলক অৱগত কৰিবৰ বাবে এই শিতানত আবাসিক কৃষক প্ৰশিক্ষণৰ ব্যৱস্থা আছে।

**খ)** **নাৰ্চাৰী স্থাপন ঃ**

উন্নত মানৰ ফল-মূলৰ মাতৃ গছ লগাই নাৰ্চাৰী স্থাপনৰ বাবে উপযুক্ত নিবনুৱা তথা কৃষকক এই শিতানত ৫০ শতাংশ আৰ্থিক ৰাজসাহাৰ্য্য প্ৰদান কৰাৰ ব্যৱস্থা আছে।

গ) সুগন্ধিযুক্ত আৰু ঔষধি গছৰ বাগিছা স্থাপন ঃ

সুগন্ধিযুক্ত আৰু ঔষধি গছৰ বাগিছা স্থাপনৰ বাবে ইচ্ছুক কৃষকে যাৱতীয় প্ৰকল্প প্ৰস্তুত কৰি উদ্যান শস্যৰ প্ৰযুক্তি মিছন আঁচনিৰ জৰিয়তে অনুমোদন সাপেক্ষে আৰ্থিক সুবিধা পাব পৰা ব্যৱস্থা আছে। ইয়াৰ উপৰিও মহিলা আত্ম সহায়ক গোটক আত্মনিৰ্ভৰশীল হোৱাৰ উদ্দেশ্যৰে বিভাগৰ দ্বাৰা গোটৰ সদস্য সকলক বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ তথা ৫,০০০/- টকাকৈ ঘূৰ্ণীয়মান পুঁজি এককালীন সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে।

উক্ত প্ৰযুক্তি মিছন আঁচনিৰ বিভিন্ন শিতানৰ সুবিধা পাবলৈ হ'লে প্ৰকল্প প্ৰস্তুত কৰি সংশ্লিষ্ট কৃষি চক্ৰৰ উন্নয়ণ বিষয়াৰ জৰিয়তে জিলা কৃষি বিষয়াৰ কাৰ্য্যালয়ত আবেদন দাখিল কৰিব লাগিব আৰু জিলা পৰ্য্যায়ৰ ৰূপায়ণ আৰু নিৰীক্ষণ কমিটিৰ অনুমোদন সাপেক্ষে উৰ্দ্ধতম কৰ্তৃপক্ষৰ পৰা আৰ্থিক মঞ্জুৰী পোৱাৰ সুবিধা আছে।

৭। **ষ্টেট প্ৰাইঅৰিটি চেক্টৰ আঁচনি ঃ (State Priority Sector Scheme)**

এই আঁচনিৰ জৰিয়তে জিলাখনত বৰ্তমান বছৰত ৫০ শতাংশ ৰেহাই অনুদানত ১৯ খন ট্ৰেক্টৰ, ২১০ খন পাৱাৰ টিলাৰ, ৩৫৪ টা ৫ অশ্ব শক্তিযুক্ত পাৱাৰ পাম্প, আৰু ১০০ শতাংশ ৰেহাই অনুদানত ১৫০০ টা উন্নত কৃষি সঁজুলি টোপোলা বিতৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। হিতাধীকাৰী সকলে এই আঁচনিৰ জৰিয়তে সুবিধা পাবলৈ তলত উল্লেখিত অনুযায়ী আবেদন কৰিব লাগে।

- **ট্ৰেক্টৰ -** কমেও ১০ জনীয়া কৃষক সেৱা গোট / আত্ম সহায়ক গোট।
- **পাৱাৰ টিলাৰ-** কিষাণ ক্ৰেডিট কাৰ্ড থকা কৃষকৰ ৫ জনীয়া কৃষক সেৱা গোট / আত্ম সহায়ক গোট।
- **পাৱাৰ পাম্প -** কিষাণ ক্ৰেডিট কাৰ্ড থকা কৃষকৰ ৫ জনীয়া কৃষক সেৱা গোট। আবেদনকাৰীয়ে নিৰ্দিষ্ট প্ৰ-পত্ৰত স্থানীয় কৃষি উন্নয়ণ বিষয়াৰ যোগেদি জিলা কৃষি বিষয়াৰ কাৰ্য্যালয় বা কৃষি অভিযন্তা কাৰ্য্যালয়ত আবেদন কৰিব লাগে।
- উন্নত কৃষি সঁজুলিৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ড থকা কৃষকে বগা কাগজত স্থানীয় কৃষি উন্নয়ণ বিষয়া আৰু মহকুমা কৃষি বিষয়াৰ জৰিয়তে জিলা কৃষি বিষয়াৰ ওচৰত আবেদন কৰিলেই হ'ল।

৮। **অসম বিকাশ যোজনা ঃ**

এই আঁচনিৰ জৰিয়তে জিলাখনত বৰ্তমান বছৰত ৫০ শতাংশ ৰেহাই অনুদানত ১২ খন ট্ৰেক্টৰ আৰু ২৯ খন পাৱাৰ টিলাৰ ক্ৰমে ১০ জনীয়া আৰু ৫ জনীয়া কৃষক সেৱা গোটৰ হিতাধীকাৰীক বিতৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। প্ৰ-পত্ৰ পূৰণ আৰু জমা দিয়াৰ নিয়ম ষ্টেট প্ৰাইঅৰিটি চেক্টৰ আঁচনিৰ দৰেই। অৱশ্যে পাৱাৰ টিলাৰ কাৰণে আবেদনকাৰীৰ কিষাণ ক্ৰেডিট কাৰ্ডৰ বাধ্যবাধকতা নাই।

৯। **অসম কৃষি সামৰ্থবৰ্দ্ধন প্ৰকল্প ঃ (A.A.C.P.)**

বিশ্ব বেঙ্কৰ সাহাৰ্য্যত ৰূপায়ণ হোৱা এই আঁচনিৰ প্ৰথম পৰ্য্যায়ত তলত উল্লেখ কৰা শিতান সমূহ বিভাগৰ জৰিয়তে সামৰি লোৱা হয়।

ক) এই শিতানত ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ ক্ৰমে ১০ জনীয়া আৰু ৫ জনীয়া নিৰ্বাচিত কৃষি সেৱাগোটক ৩০ শতাংশ ৰেহাই অনুদানত আৰু ৫০ শতাংশ বেঙ্ক ঋণৰ জৰিয়তে বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

খ) কৃষি ভূমি জলসিঞ্চনৰ সুবিধাৰ বাবে জিলাখনত অ-গভীৰ নলী-নাদ কৃষি সেৱা গোটক ৫০ শতাংশ ৰেহাই মূল্যত অভিযান্ত্ৰিক শাখাৰ দ্বাৰা যোগান ধৰাৰ ব্যৱস্থা আছে। অ-গভীৰ নলী-নাদ পাবলৈ হ'লে আবেদনকাৰী কৃষক গোটে বেঙ্কৰ জৰিয়তে (ষ্টেট বেঙ্ক আৰু ইউনাইটেড বেঙ্ক) বা পোনপটীয়া ভাৱে দিব লগীয়া ধনৰ ৫০ শতাংশ বেঙ্ক ড্ৰাফট্ যোগে অভিযন্তা, নগাঁৱৰ নামত জমা দি প্ৰত্যক্ষভাৱে লব পৰাৰ ব্যৱস্থা আছে।

১০। **স্থুল কৃষি ব্যৱস্থাপনা ঃ (Macro Management Mode of Agri)**

এই আঁচনিৰ জৰিয়তে বিভিন্ন শিতানত বিভিন্ন শস্যৰ প্ৰদৰ্শমূলক খেতিৰ লগতে সু-সংহত পদ্ধতিৰে খেতিত কীট-পতঙ্গ, বেমাৰ আদি নিয়ন্ত্ৰণ, জৈৱিক কৃষি ব্যৱস্থা, বিভিন্ন শস্যৰ উৎপাদনৰ বিষয়ত বিভাগৰ জৰিয়তে কৃষক প্ৰশিক্ষণ সময়ে সময়ে অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও কৃষি যান্ত্ৰিকীকৰণৰ বাবে নিৰ্বাচিত ৫ জনীয়া কৃষক গোটক মুঠ ৩০,০০০/- টকা ৰাজ সাহাৰ্য্যত পাৱাৰ টিলাৰ দিয়াৰ ব্যৱস্থা আছে আৰু লগতে ৰাষ্ট্ৰীয় জলছেদ উন্নয়ণ প্ৰকল্প সমূহৰ কাম এই আঁচনিৰ দ্বাৰা সামৰি লোৱা হৈছে। বৰ্ত্তমান ৪ টা এনে প্ৰকল্পৰ কাম জিলাখনত চলি আছে।

১১। **বিশেষ মৰাপাট উন্নয়ণ আঁচনি ঃ (Spl. Jute Dev. Scheme)**

কৃষকৰ পথাৰত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত এই আঁচনিৰ যোগেদি বিনামূলীয়া প্ৰদৰ্শণন মূলক খেতিৰ দ্বাৰা উন্নত সঁচৰ বীজ ব্যৱহাৰ, কাৰিকৰী প্ৰযুক্তি তথা কৌশল সমূহ প্ৰযোগৰ

সম্প্ৰসাৰণ ঘটোৱা হয়। ইয়াৰ উপৰিও এই আঁচনিৰ যোগেদি উন্নত সঁচৰ মৰাপাটৰ বীজ ৰেহাই অনুদানত কৃষকৰ মাজত বিক্ৰীৰ ব্যৱস্থা আছে। মৰাপাটৰ মান উন্নত কৰিবৰ বাবে এই আঁচনিৰ জৰিয়তে ''ফাঙ্গেল কালচাৰ'' খেতিয়কক বিতৰণ কৰাৰ ব্যৱস্থা আছে। লগতে মৰাপাটৰ বজাৰৰ দাম চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া মূল্যতকৈও কমি গ'লে মৰাপাট নিগমত বিক্ৰী কৰিবৰ বাবে কৃষক সকলক ''চিনাক্ত পত্ৰ'' দিয়াৰ ব্যৱস্থা আছে।

১২। **সমূহীয়া ফল-মূল সংৰক্ষণ ও প্ৰশিক্ষণ ঃ (Community Canning & Trg)**

জিলা কৃষি বিভাগৰ অধীনত থকা ফল-মূল সংৰক্ষণ ও প্ৰশিক্ষণ কেন্দ্ৰত কম খৰচত উপভোক্তাৰ বাবে ৰাহি হোৱা ফল-মূল আৰু শাক-পাচলি আদি আবতৰত ব্যৱহাৰ কৰিবৰ বাবে সংৰক্ষণ কৰাৰ ব্যৱস্থা থকাৰ উপৰিও এই কেন্দ্ৰৰ জৰিয়তে সময়ে সময়ে এদিনীয়া ও তিনিদিনীয়া প্ৰশিক্ষণ নিয়মীয়াকৈ দি থকাৰ ব্যৱস্থা আছে।

১৩। **নাৰিকল উন্নয়ণ বৰ্ডৰ আঁচনি ঃ (Coconut Dev. Scheme)**

নাৰিকল খেতিৰ কৃষি ভূমি সম্প্ৰসাৰণৰ কৃষকসকলক উৎসাহ যোগোৱাৰ বাবে নাৰিকল উন্নয়ণ বৰ্ডে বিভাগৰ জৰিয়তে প্ৰতিটো নতুন পুলি ৰোপনৰ বিপৰীতে ২৫/- টকাকৈ দুবছৰৰ বাবে আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে। অৱশ্যে এই শিতানত সুবিধা পাবলৈ হ'লে এজন কৃষকে বছৰত কমেও ১০ জোপা নাৰিকল পুলি ৰোপন কৰিব লাগিব। ইয়াৰ উপৰিও ৰুগ্ন বা বেমাৰ-আজাৰত আক্ৰান্ত নাৰিকল পুলি উভালি তাৰ ঠাইত নতুন পুলি ৰোপনৰ বাবে প্ৰতিজোপা নতুন পুলিৰ বিপৰীতে ২৫০/- টকাকৈ আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে। লগতে কমেও ৩০ জোপাৰ ওপৰত নাৰিকল গছ থকা কৃষকৰ বাৰিত বৈজ্ঞানিক পদ্ধতিৰে পৰিচৰ্য্যা কৰাৰ বাবে আৰ্থিক সাহাৰ্য্য পাব পৰাও ব্যৱস্থা আছে। নাৰিকল উন্নয়ণ বৰ্ডৰ আঁচনিৰ সুবিধাৰ পাবৰ বাবে বৰ্ডৰ দ্বাৰা যোগান ধৰা নিৰ্দিষ্ট প্ৰ-পত্ৰত সংশ্লিষ্ট কৃষি চক্ৰৰ কৃষি উন্নয়ণ বিষয়াৰ জৰিয়তে আবেদন কৰিব লাগিব।

**অধিক তথ্য জানিবৰ বাবে**
**কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ লগত**
**যোগাযোগ কৰক।**
**দুৰভাষ ঃ ০৩৬৭২-২২৫৩৮৪**

*কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁও দ্বাৰা প্ৰস্তুত আৰু কাৰ্য্যসূচী সমন্বয়ক, কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ দ্বাৰা প্ৰকাশিত।*